**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 12-01-2026 **Time :** 1100 Hrs.

0000000000

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা- এ ডি আৰ ইত উত্তীৰ্ণ ২৯২ গৰাকী চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীৰ মাজত আজি নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত প্ৰাৰ্থীসকলক নিযুক্তিপত্ৰ প্ৰদান কৰা হ'ব।

০০০০০০০

অসম ডনবস্ক' বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰৰ দলে সাজু কৰা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো কৃত্ৰিম উপগ্ৰহ 'লাচিত-ৱান' আজি শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা উৎক্ষেপন কৰা হৈছে। আজি দিনৰ ১০ বাজি ১৭ মিনিটত মহাবীৰ লাচিত বৰফুকনৰ নামেৰে নামকৰণ কৰা কৃত্ৰিম উপগ্ৰহটো উৎক্ষেপনৰ লগে লগে অসম কৃত্ৰিম উপগ্ৰহ উৎক্ষেপন কৰা ৰাজ্যৰ তালিকাত অন্তৰ্ভুক্ত হ'ল। এই ঐতিহাসিক ক্ষণৰ বাবে সুদীৰ্ঘ পাঁচবছৰ ধৰি নিৰৱচ্ছিন্নভাৱে গৱেষণা চলাই অহা হৈছিল। এই কৃত্ৰিম উপগ্ৰহটোৱে কক্ষপথত স্থাপনৰ এমাহৰ পাছত বায়ুমণ্ডলীয় আৰু পৰিৱেশগত তথ্য সংগ্ৰহ কৰি পৃথিৱীলৈ প্ৰেৰণ কৰিব। ইয়াৰ বাবে ডনবস্ক' বিশ্ববিদ্যালয় চৌহদত ইতিমধ্যে 'আৰ্থ ষ্টেচন' স্থাপন কৰা হৈছে। বিশ্ববিদ্যালয়খনৰ তত্বাৱধানত প্ৰশিক্ষিত গৱেষক ছাত্ৰৰ দলে এই নিয়ন্ত্ৰণ কক্ষ পৰিচালনা কৰিব। এই সন্দৰ্ভত অসম ডনবস্ক' বিশ্ববিদ্যালয়ৰ INDIAN INDEGENIOUS KNOWLEDGE SYSTEM বিভাগৰ সঞ্চালক ড° দীনেশ বৈশ্যই এইদৰে কয় –

বাইট

০০০০০০০

কাইলৈ মাঘ বিহুৰ উৰুকা। ৰাজ্যৰ বিভিন্ন প্ৰান্তত উৰুকাৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বজাৰসমূহ বিহুৰ সামগ্ৰীৰে ভৰি পৰিছে। অসমীয়াৰ হেঁপাহৰ ভোগালী বিহুৰ বাবে ঠায়ে ঠায়ে বিভিন্ন আৰ্হিৰে আটকধুনীয়া মেজি আৰু ভেলাঘৰ নিৰ্মাণ কৰাৰ লগতে ভোগালী মেলা অনুষ্ঠিত হৈছে। গ্ৰামাঞ্চলসমূহত জীয়ৰী-বোৱাৰীয়ে ভোগালীত অতিথি আপ্যায়ণৰ বাবে পিঠা-পনা, জা-জলপান প্ৰস্তুত কৰিছে।

অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান কামৰূপ মহানগৰ জিলাৰ উদ্যোগত উজান বজাৰৰ সতী ৰাধিকা শান্তি উদ্যানত অনুষ্ঠিত  অসমী ভোগালী মেলাৰ কালি সামৰণি পৰে। গুৱাহাটী মহানগৰীৰ দীঘলীপুখুৰী পাৰৰ সমীপৰ লক্ষ্মীধৰ বৰা ক্ষেত্ৰ, খানাপাৰা আদি স্থানতো ব্যক্তিগত অনুষ্ঠান-প্ৰতিষ্ঠানৰ উদ্যোগত আয়োজিত ভোগালী মেলাত মহিলাসকলে প্ৰস্তুত কৰা লাৰু, পিঠা, জহা চাউল, বৰা চাউলৰ লগতে বিভিন্ন থলুৱা খাদ্য উপলব্ধ হৈছে।

ৰাজ্যৰ আন আন জিলাসমূহতো ভোগালী বিহু উপলক্ষে ব্যাপক উছাহ পৰিলক্ষিত হৈছে।

০০০০০

আজি ৰাষ্ট্ৰীয় যুৱ দিৱস। প্ৰসিদ্ধ দাৰ্শনিক, স্বপ্নদ্ৰষ্টা স্বামী বিবেকানন্দৰ জয়ন্তী উপলক্ষে প্ৰতিবছৰে আজিৰ দিনটোত এই দিৱস পালন কৰি অহা হৈছে। যুৱ প্ৰজন্মৰ মাজত আত্মবিশ্বাস, সেৱা আৰু দেশ গঢ়াৰ প্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে পালন কৰি অহা ৰাষ্ট্ৰীয় যুৱ দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহান চিন্তাবিদগৰাকীৰ জন্মদিনত শ্ৰদ্ধা নিবেদন কৰিছে। স্বামী বিবেকানন্দৰ জয়ন্তীৰ সৈতে সংগতি ৰাখি নতুন দিল্লীত আয়োজন কৰা বিকশিত ভাৰত যুৱনেতা সন্মিলন-২০২৬ত অসমৰ পৰা অংশগ্ৰহণ কৰা আৰিয়ান কাশ্যপ আৰু দীক্ষিতা চক্ৰৱৰ্তীক মুখ্যমন্ত্ৰী মুখ্যমন্ত্ৰীয়ে অভিনন্দন জ্ঞাপন কৰিছে।

০০০০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি  ৫ মিনিটত কাছাৰ জিলা কৃষি বিভাগৰ দ্বাৰা ৰূপায়িত আঁচনি সন্দৰ্ভত জিলাখনৰ কৃষি বিষয়া ড° ৰাহুল চক্ৰৱৰ্তীৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব আমাৰ কাছাৰ জিলাৰ সংবাদদাতা আঁখি ৰাণী দাসে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০০

ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি আত্মনিৰ্ভৰ ধেমাজি মেলাত ধেমাজি গৌৰৱ বঁটা প্ৰদান কৰে। পঞ্চমবাৰৰ বাবে আয়োজন কৰা এই অনুষ্ঠানত সাহিত্য, কলা আৰু সংস্কৃতিৰ ক্ষেত্ৰত অনবদ্য অৱদান আগবঢ়োৱা টাই-সংস্কৃতিৰ গৱেষক ড° পুষ্প গগৈ আৰু মীন পাম ভিত্তিক সংহত কৃষি কাৰ্যৰ বাবে গোগামুখৰ গিৰিজা প্ৰসাদ দলেক ধেমাজি গৌৰৱ বঁটা প্ৰদান কৰা হয়। তদুপৰি ৰাসায়নিক সাৰ ব্যৱহাৰ নকৰাকৈ ধান আৰু অন্যান্য শস্য উৎপাদন আৰু বিপণনৰ এটা সংস্থাকো এই বঁটা প্ৰেৰণ কৰা হয়। ড° পেগুৱে কালি আত্মনিৰ্ভৰ ধেমাজি, ২০২৬ শীৰ্ষক এখন মুখপত্ৰও উন্মোচন কৰে। ৯ জানুৱাৰীৰ পৰা কাছাৰী ময়দানত চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই মেলাৰ আজি সামৰণি পৰিব।

০০০০০০০

**সমাপ্ত**